**5 SEM TDC ASM M 1**

**2017**

( November )

ASSAMESE

( Major )

Course : 501

( সাহিত্যতত্ত্ব আৰু সমালোচনা )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) উপন্যাসৰ সংজ্ঞা আৰু উপাদানৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰাঁ। ৭+৯=১৬

*অথবা*

(খ) প্ৰাচ্য আৰু পাশ্চাত্য কবি, সমালোচকৰ সংজ্ঞাৰ আধাৰত কবিতাৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ১৬

২। (ক) ‘‘সমালোচনা সাহিত্যবস্তুৰ তুলাচনী।’’ কথাষাৰৰ আধাৰত সমালোচনাৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) সাহিত্য সমালোচনাৰ পদ্ধতিসমূহ উল্লেখ কৰি বিশ্লেষণাত্মক সমালোচনা পদ্ধতিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰাঁ। ৩+১১=১৪

৩। (ক) চমু টোকা লিখাঁ (যি কোনো দুটা) : ৭+৭=১৪

(১) স্থায়ী ভাৱ

(২) বিভাৱ

(৩) অনুভাৱ

*অথবা*

(খ) শব্দ-শক্তিৰ প্ৰকাৰসমূহ উল্লেখ কৰি উদাহৰণসহ প্ৰত্যেক প্ৰকাৰৰ বিষয়ে আলোচনা কৰাঁ। ১৪

৪। (ক) অলংকাৰ বুলিলে কি বুজা? অলংকাৰৰ ভাগসমূহ উল্লেখ কৰি শব্দালংকাৰৰ বিষয়ে আলোচনা কৰাঁ। ৩+১১=১৪

*অথবা*

(খ) কাব্যত অলংকাৰৰ প্ৰয়োজন সম্পৰ্কে উল্লেখ কৰি উপমা, অতিশয়োক্তি আৰু ৰূপকৰ বিষয়ে উদাহৰণসহ আলোচনা কৰাঁ। ২+১২=১৪

৫। (ক) মাত্ৰাবৃত্ত ছন্দৰীতিৰ বিষয়ে উদাহৰণসহ এটি টোকা প্ৰস্তুত কৰাঁ। ১৪

*অথবা*

(খ) মুক্তক ছন্দৰ বিষয়ে উদাহৰণসহ এটি টোকা প্ৰস্তুত কৰাঁ।

৬। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) "কবিতা হ'ল, জীৱন বীক্ষা।" কাৰ উক্তি?

(খ) নাটকৰ ঐক্য কেইটা?

(গ) 'অসমীয়া ছন্দশিল্পৰ ভূমিকা' গ্ৰন্থখনৰ লেখক কোন?

(ঘ) ভাৰতীয় অলংকাৰ-শাস্ত্ৰৰ শেহৰজন আচাৰ্যৰ নাম কি?

(ঙ) তোমাৰ পাঠ্যক্ৰমত সন্নিৱিষ্ট A. C. Nicol-ৰ গ্ৰন্থখনৰ নাম কি?

(চ) উপন্যাসক 'চোলা জেপৰ নাটঘৰ' বুলি কোনে অভিহিত কৰিছিল?

(ছ) 'কেথাৰছিছ' শব্দটোৰ অৰ্থ কি?

(জ) "একেটা বৈঠকতে পঢ়ি শেষ কৰিব পৰা গল্পই চুটি গল্প।" কথাষাৰ কোনে কৈছিল?

★★★

Total No. of Printed Pages—3

**5 SEM TDC ASM M 2**

**2017**

( November )

ASSAMESE

( Major )

Course : 502

( অসমীয়া নাটক )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) কোন শ্ৰেণী নাটকৰ যোগেদি অসমীয়া নাট্যসাহিত্যৰ লিখিত ইতিহাস আৰম্ভ হোৱা বুলি ধৰা হয় ?

(খ) কেৱল অভিনীত ৰূপৰ প্ৰথম অসমীয়া নাটখনৰ নাম কি ?

(গ) অসমৰ প্ৰথমজন নাট্যকাৰ, অভিনেতা, নাট পৰিচালক, সংগীত-নৃত্য পৰিচালক, ৰূপসজ্জা নিৰ্দেশক কোন ?

(ঘ) ৰংদৈ কোনখন নাটকৰ নাৰী চৰিত্ৰ ?

(ঙ) "...পাওঁ, গছত যিমান ফুল আছে, ডালত যিমান পাত আছে , নৈত যিমান পানী আছে, শূইনত যিমান বতাহ আছে, নিশাৰ আকাশত যিমান তৰা আছে—তিমান।" সংলাপটো কাৰ?

(চ) মণিমুঞ্চৰ সেনাপতিজনৰ নাম কি?

(ছ) 'ৰামবিজয়' নাটকত উল্লিখিত বিশ্বামিত্ৰ ঋষিৰ শিষ্যজনৰ নাম কি?

(জ) 'এটা চোলাৰ কাহিনী' নাটকখন পূৰ্ণাংগ নাটক নে একাংকিকা নাটক?

২। (ক) 'অসমীয়া সামাজিক নাটকৰ বিকাশ' শীৰ্ষক এটি টোকা যুগুত কৰাঁ। ১২

*অথবা*

(খ) অসমীয়া আধুনিক নাটকত পাশ্চাত্যৰ প্ৰভাৱ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

৩। (ক) 'ৰামবিজয়' নাটৰ কাহিনীটো ক'ৰ পৰা গ্ৰহণ কৰিছে? নাটখনত শংকৰদেৱৰ মৌলিকতা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ২+১২=১৪

*অথবা*

(খ) " 'ৰামবিজয়' নাটৰ ওপৰত নাট্যকাৰৰ পূৰ্বৱৰ্তী নাট 'ৰুক্মিণী হৰণ'ৰ প্ৰভাৱ পৰা বুলি কোৱা হয়।" কথাষাৰৰ সত্যাসত্য বিচাৰ কৰাঁ। ১৪

৪। (ক) “ ‘গাঁওবুঢ়া’ নাটকত সমকালীন সমাজখনৰ এটি বাস্তৱ ছবি দাঙি ধৰা হৈছে।” কথাষাৰৰ আঁত ধৰি এটি আলোচনা আগবঢ়োৱাঁ। ১৪

*অথবা*

(খ) ‘গাঁওবুঢ়া’ নাটকৰ কাহিনীবস্তুৰ এটি আভাস দাঙি ধৰাঁ।

৫। (ক) “ইয়াত আদৰ্শ চৰিত্ৰ দাঙি ধৰাতকৈ চৰিত্ৰৰ বিচিত্ৰতাহে দেখুৱাবলৈ প্ৰয়াস কৰা হৈছে।” নাট্যকাৰৰ এই বক্তব্যৰ আধাৰত ইতিভেন আৰু ৰূপালীম চৰিত্ৰ দুটিৰ বিশ্লেষণ আগবঢ়োৱাঁ। ১৪

*অথবা*

(খ) ‘ৰূপালীম’ নাটকৰ কাহিনী নিৰ্মাণত নাট্যকাৰৰ শিল্প-কৌশল সম্পৰ্কে আলোচনা কৰাঁ।

৬। (ক) ‘এটা চোলাৰ কাহিনী’ নাটকত সমাজৰ দৰিদ্ৰ, নিপীড়িত, শোষিত শ্ৰেণীৰ হৃদয় যন্ত্ৰণাৰ কেনেদৰে প্ৰতিফলন ঘটিছে, আলোচনা কৰাঁ। ১২

*অথবা*

(খ) ‘এটা চোলাৰ কাহিনী’ নাটকৰ চৰিত্ৰ-চিত্ৰণ সম্পৰ্কে এটি বিশ্লেষণাত্মক টোকা লিখাঁ।

৭। চমু টোকা লিখাঁ (যি কোনো এটাৰ) : ৬

(ক) ঝুমুৰা

(খ) একাংকিকা নাটক

(গ) প্ৰহসন

★★★

Total No. of Printed Pages—3

**5 SEM TDC ASM M 3**

**2 0 1 7**

( November )

ASSAMESE

( Major )

Course : 503

**( সংস্কৃতি অধ্যয়ন )**

*Full Marks* : 80

*Pass Marks* : 32 / 24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) ''সামগ্রিক জীৱন-পদ্ধতিয়েই সংস্কৃতি।'' এই সংজ্ঞাৰ আধাৰত সংস্কৃতি বুলিলে কি বুজা, চমুকৈ আলোচনা কৰাঁ। সংস্কৃতিৰ উপাদানসমূহৰ বিষয়ে এটি টোকা লিখাঁ। ৫+১০=১৫

*অথবা*

(খ) সংস্কৃতিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি আলোচনা যুগুত কৰাঁ। ১৫

২। (ক) 'অসমৰ সংস্কৃতি সমন্বয়ৰ সংস্কৃতি' বিষয়টিৰ আলমত অসমীয়া সংস্কৃতিৰ এটি পৰিচয় আগবঢ়োৱাঁ। ১৫

*অথবা*

(খ) অসমৰ জাতি-গঠন প্ৰক্ৰিয়ালৈ মংগোলীয় গোষ্ঠীৰ অৱদানৰ বিষয়ে আলোচনা কৰাঁ।

৩। (ক) লোক-বিশ্বাস বুলিলে কি বুজা? অসমৰ গছ-গছনি, চৰাই-চিৰিকতিৰ লগত জড়িত লোক-বিশ্বাসসমূহৰ বিষয়ে আলোচনা কৰাঁ। ৫+৯=১৪

*অথবা*

(খ) অসমৰ জন-জীৱনৰ লগত জড়িত কৃষিকেন্দ্ৰিক লোকাচাৰসমূহৰ ওপৰত এটি আলোচনা যুগুত কৰাঁ। ১৪

৪। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৭×২=১৪

(ক) পুতলা নাচ

(খ) ঢুলীয়া ভাওনা

(গ) কুশান গান

(ঘ) ওজাপালি

৫। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) অসমৰ পুৰণি নাম দুটা লিখাঁ।

(খ) মৃৎ-শিল্পৰ লগত জড়িত অসমৰ দুটা জাতিগোটৰ নাম লিখাঁ।

(গ) পিনি কোন জনগোষ্ঠীৰ পৰিধেয় বস্ত্ৰ ?

(ঘ) "পইতা পাল-মৰা, কৰ্কৰা লৰমৰা, তপত দিনটোলৈ শকত।" কৰ্কৰা মানে কি ?

(ঙ) Performing Art Form-ৰ অসমীয়া পৰিভাষা লিখাঁ।

(চ) বাগৰুম্বা কোন জনগোষ্ঠীৰ মাজত প্ৰচলিত ধৰ্ম-নিৰপেক্ষ নাচ ?

(ছ) লোকাপাৰ কি ?

(জ) 'অসমৰ মানুহৰ নৃ-বৈজ্ঞানিক পৰিচয়' গ্ৰন্থখনৰ লেখক কোন ?

৬। টোকা লিখাঁ (যি কোনো দুটা) : ৭×২=১৪

(ক) মিছিং জনগোষ্ঠীৰ সাজ-পাৰ

(খ) অসমীয়া পৰম্পৰাগত অলংকাৰ

(গ) আহোম যুগৰ স্থাপত্য

★★★

**5 SEM TDC ASM M 4**

**2017**

( November )

ASSAMESE

( Major )

Course : 504

( তুলনামূলক ভাৰতীয় সাহিত্য )

*Full Marks* : 80

*Pass Marks* : 32 / 24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) তুলনামূলক ভাৰতীয় সাহিত্য সম্পৰ্কে তুলনাবিদ আলোচকসকলে আগবঢ়োৱা বিভিন্ন মতৰ আধাৰত তুলনামূলক সাহিত্যৰ এটি সংজ্ঞা প্ৰস্তুত কৰাঁ। ১৪

*অথবা*

(খ) তুলনামূলক সাহিত্যৰ বৈশিষ্ট্যসমূহ চিনাক্ত কৰি তুলনামূলক সাহিত্যৰ স্বৰূপ ব্যাখ্যা কৰাঁ।

২। (ক) তুলনামূলক সাহিত্যৰ অন্তৰ্গত বিষয়সাৰ তত্ত্ব পদ্ধতি সম্পৰ্কে উদাহৰণসহ আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) সাহিত্যিক স্বৱৰ্তন (Literary survival) সম্পৰ্কে উদাহৰণসহ এটি টোকা প্ৰস্তুত কৰাঁ।

৩। (ক) তুলনামূলক ভাৰতীয় সাহিত্যৰ বিকাশৰ বিভিন্ন স্তৰ সম্পৰ্কে এটি পৰিচয়সূচক টোকা প্ৰস্তুত কৰাঁ। ১৫

*অথবা*

(খ) তুলনামূলক ভাৰতীয় সাহিত্যই সামৰি লোৱা পৰিসৰসমূহ উল্লেখ কৰি এটি আলচ যুগুত কৰাঁ। ৫+১০=১৫

৪। বিষয়বস্তুগত দিশত তলত দিয়া যি কোনো এটিৰ বিষয়ে তুলনামূলক আলোচনা আগবঢ়োৱাঁ : ১৪

(ক) 'বাঁহী' বিষয়ক লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতা

(খ) 'মা' বিষয়ক ধীৰুবহন পেটেল আৰু মন্নু ভাণ্ডাৰীৰ গল্প

৫। তুলনামূলক সাহিত্যৰ অধ্যয়নত অনুবাদৰ প্ৰয়োজন আছেনে—যুক্তি সহকাৰে আলোচনা কৰাঁ। ১০

৬। চমু টোকা লিখাঁ (যি কোনো এটা) : ৫

(ক) সাহিত্য আৰু ইতিহাস

(খ) সাহিত্য আৰু দৰ্শন

৭। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) মেথিউ আৰ্নল্ডে কোনখন বিশ্ববিদ্যালয়ত 'প্ৰফেছৰ অৱ পয়েট্ৰি' হিচাপে তুলনামূলক সাহিত্যৰ বিষয়ে বক্তৃতা প্ৰদান কৰিছিল?

(খ) পছনেটে লিখা তুলনামূলক সাহিত্য বিষয়ক প্ৰথম গ্ৰন্থখনৰ নাম লিখাঁ।

(গ) ইউৰোপৰ কোনখন বিশ্ববিদ্যালয়ত প্ৰথম তুলনামূলক সাহিত্যৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত হৈছিল?

(ঘ) "ভিন ভিন ভাষাত প্ৰকাশ হ'লেও ভাৰতীয় সাহিত্য একক আৰু অখণ্ড।" কোনে কৈছিল?

(ঙ) ভাৰতৰ কোনখন বিশ্ববিদ্যালয়ত প্ৰথম তুলনামূলক সাহিত্যৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত হৈছিল?

(চ) 'Recreation'ৰ অসমীয়া পৰিভাষা কি?

(ছ) বিদ্যায়তনিক বিষয় হিচাপে তুলনামূলক সাহিত্যক অসমত কোনে প্ৰতিষ্ঠা কৰিলে?

(জ) 'তুলনামূলক সাহিত্য ঃ সিদ্ধান্ত আৰু প্ৰয়োগ' গ্ৰন্থখন কোনে লিখা?

★★★